**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 23-10-2024
**Time :** 0755 Hrs

***Assamese Morning Bulletin***
***:::::::::::::::::::::::::::::***

ৰাজ্যৰ পাঁচটা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে ৰাজনৈতিক তৎপৰতা ক্ৰমাৎ বৃদ্ধি পাইছে। উপ-নিৰ্বাচনৰ মনোনয়ন পত্ৰ দাখিলৰ প্ৰক্ৰিয়া কালিৰ পৰা আৰম্ভ হৈছে। বিহালী সমষ্টিৰ ভাৰতীয় জনতা পাৰ্টি প্ৰক্ষেপিত প্ৰাৰ্থী দিগন্ত ঘাটোৱাৰে বিশ্বনাথ জিলা আয়ুক্ত কাৰ্যালয়ত আজি মনোনয়ন পত্ৰ দাখিল কৰিব। মনোনয়ন পত্ৰ দাখিলৰ সময়ত শ্ৰীঘাটোৱাৰক মন্ত্ৰী পিযুষ হাজৰিকা, ভৱেশ কলিতা, সাংসদ ৰঞ্জিত দত্ত, বিধায়ক দিগন্ত কলিতা আদিয়ে সংগ দিব। ধলাই সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী নিহাৰৰঞ্জন দাসে কাইলৈ আৰু চামগুৰি সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মাই পৰহিলৈ মনোনয়ন পত্ৰ দাখিল কৰিব। কংগ্ৰেছ প্ৰাৰ্থী ধ্ৰুৱজ্যোতি পুৰকায়স্থই কালি কাছাৰ জিলাৰ আয়ুক্তৰ কাৰ্যালয়ত মনোনয়ন পত্ৰ দাখিল কৰে। বঙাইগাঁও জিলাত উপ-নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত বিভিন্ন ৰাজনৈতিক দলে প্ৰচাৰ অভিযান আৰম্ভ কৰিছে। প্ৰতিটো দলে নিজৰ সমৰ্থিত প্ৰাৰ্থীক জয়ী কৰোৱাৰ বাবে গাঁৱে-ভূঞে প্ৰচাৰ সভা পাতি অভিযান অব্যাহত ৰাখিছে। ইপিনে, বিৰোধী সন্মিলিত মৰ্চাই বিহালী সমষ্টিটোলৈ এই পৰ্যন্ত সহমতত উপনীত হ'ব পৰা নাই। সমষ্টিটোত চি পি আই এম এলৰ প্ৰাৰ্থীগৰাকীক কংগ্ৰেছে সমৰ্থন নকৰাৰ বাবে সন্মিলিত মৰ্চাৰ ভিতৰ চ'ৰাত অচলাৱস্থাৰ সৃষ্টি হৈছে। এই সন্দৰ্ভত কালি সন্মিলিত মৰ্চাৰ শীৰ্ষ নেতৃত্ব কেইবালানি বৈঠকত মিলিত হয়। সেই অনুসৰি আজি পুৱা ১০ বজাৰ ভিতৰত বিহালী সমষ্টিৰ প্ৰাৰ্থী ঘোষণা হ'ব বুলি সন্মিলিত মৰ্চাই বৈঠকত সিদ্ধান্ত গ্ৰহণ কৰে।

ooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ৰাছিয়াৰ কাজানত অনুষ্ঠিত ব্ৰিকছ্ শীৰ্ষ সন্মিলনৰ সুযোগতে চীনৰ ৰাষ্ট্ৰপতি শ্বি জিনপিঙৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব। প্ৰকৃত নিয়ন্ত্ৰণ ৰেখাত তহল ব্যৱস্থাপনা সন্দৰ্ভত দুয়োখন দেশ এখন চুক্তিত উপনীত হোৱাৰ পৰিপ্ৰেক্ষিতত এই বৈঠক বিশেষ তাৎপৰ্যপূৰ্ণ বুলি বিবেচিত হৈছে। প্ৰধানমন্ত্ৰী মোদী আৰু চীনৰ ৰাষ্ট্ৰপতিৰ মাজত বিগত ২২ বছৰত এয়া প্ৰথমখন সুপৰিকল্পিত বৈঠক হ'ব। ইয়াৰ পূৰ্বে দুয়োগৰাকী নেতা ২০২৩ বৰ্ষত দক্ষিণ আফ্ৰিকাত অনুষ্ঠিত ব্ৰিকছ্ শীৰ্ষ সন্মিলনৰ আপাহতে বৈঠকত মিলিত হৈছে আৰু বৈঠকত শ্ৰীমোদীয়ে ভাৰত-চীন সীমান্ত এলেকাৰ পশ্চিম খণ্ডৰ প্ৰকৃত নিয়ন্ত্ৰণ ৰেখাৰ অমীমাংসিত বিষয়সমূহক লৈ উদ্বেগ প্ৰকাশ কৰিছিল। শ্ৰীমোদীয়ে ব্ৰিকছ্ শীৰ্ষ সন্মিলনক সম্বোধন কৰিব। শ্ৰীমোদীয়ে কালি ৰাছিয়া আৰু ইৰাণৰ ৰাষ্ট্ৰপতিৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হয়। বৈঠকত শ্ৰীমোদীয়ে দেশ দুখনৰ বিষয়সমূহ শান্তিপূৰ্ণ পন্থাৰে সমাধানৰ আৱশ্যকতাত গুৰুত্ব আৰোপ কৰে। শ্ৰীপুটিনৰ সৈতে হোৱা বৈঠকত প্ৰধানমন্ত্ৰীয়ে কয় যে ৰাছিয়া-ইউক্ৰেইনৰ মাজৰ সংঘাতৰ শান্তিপূৰ্ণ সমাধানত সহায় কৰিবলৈ ভাৰত সাজু। বিদেশ সচিব বিক্ৰম মিশ্ৰীয়ে সংবাদ মাধ্যমৰ আগত কয় যে প্ৰধানমন্ত্ৰী মোদীয়ে ইউক্ৰেইনৰ নেতৃবৰ্গৰ সৈতে হোৱা বৈঠকৰ বিষয়ে পুটিনক অৱগত কৰে আৰু ভাৰত অঞ্চলটোৰ শান্তি ঘূৰাই অনাৰ বাবে আৱদান আগবঢ়াবলৈ আগ্ৰহী বুলি প্ৰকাশ কৰে।

শ্ৰীমোদীয়ে ইৰাণৰ ৰাষ্ট্ৰপতি মছুদ পেজেশ্বকিয়নক সাক্ষাৎ কৰে আৰু পশ্চিম এছিয়াৰ পৰিস্থিতিক লৈ আলোচনা কৰে। বিদেশ সচিব বিক্ৰম মিশ্ৰীয়ে সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত কয় যে বৈঠকত শ্ৰীমোদীয়ে বৰ্ধিত উত্তেজনাক লৈ গভীৰ উদ্বেগ প্ৰকাশ কৰে আৰু অসামৰিক লোকসকলৰ সুৰক্ষাৰ আৱশ্যকতা সন্দৰ্ভত ভাৰতৰ দৃষ্টিভংগীৰ কথা দোহাৰে। তেওঁ লগতে উত্তেজনা হ্ৰাস কৰাৰ বাবে আলোচনা আৰু কূটনৈতিক পন্থাৰ আৱশ্যকৰা বিষয়ে গুৰুত্ব আৰোপ কৰে। শ্ৰীমিশ্ৰীয়ে কয় যে দুয়োগৰাকী নেতাই আফগানিস্তানৰ বিষয়েও আলোচনা কৰে আৰু দেশখনৰ জনসাধাৰণলৈ মানৱীয় সাহায্য অব্যাহত ৰখাৰ লগতে অঞ্চলটোত শান্তি, সুস্থিৰতা বৰ্তাই ৰখাত গুৰুত্ব আৰোপ কৰে।

০০০

যোৰহাটৰ পৰা ডিব্ৰুগড়লৈ নিৰ্মাণ কাৰ্য চলি থকা ফ'ৰলেন পথচোৱাৰ কাম ক্ষিপ্ৰ কৰা হ'ব বুলি কালি কেন্দ্ৰীয় পথ পৰিবহন আৰু ঘাইপথ দপ্তৰৰ মন্ত্ৰী নীতিন গাডকাৰীৰ অধ্যক্ষতাত অনুষ্ঠিত বৈঠকত সিদ্ধান্ত গ্ৰহণ কৰা হয়। নতুন দিল্লীৰ বিজ্ঞান ভৱনত ৰাজ্যৰ পথ প্ৰকল্পসমূহৰ অগ্ৰগতি সন্দৰ্ভত হোৱা আলোচনাত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ লগতে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালেও অংশ লয়। বৈঠকত শ্ৰীগাডকাৰীয়ে অসমৰ এহেজাৰ কিলোমিটাৰৰো অধিক দৈৰ্ঘ্যক সামৰি ৫৭টা ৰাষ্ট্ৰীয় ঘাইপথ প্ৰকল্পৰ অগ্ৰগতিৰ বুজ লয়। আলোচনাত স্থায়ীত্ব আৰু মিতব্যয়িতা সুনিশ্চিত কৰি যাতায়ত আন্তঃগাঁথনিৰ কাম-কাজ ত্বৰান্বিত কৰাৰ বিষয়টোৱে আগস্থান লাভ কৰে। আনহাতে ছিকিমৰ ৩০৯ কিলোমিটাৰৰো অধিক দৈৰ্ঘ্য সামৰি ২১টা ৰাষ্ট্ৰীয় ঘাইপথৰ অগ্ৰগতিৰ পৰ্যালোচনা চলায়।

০০০

অসম বিধানসভাৰ অধ্যক্ষৰ দ্বাৰা গঠিত কমিটী অন লোকেল ফাণ্ড একাউণ্টছ্ - চি এল এফ এৰ ছজনীয়া বিধায়কৰ দল এটাই কালি গোৱালপাৰা জিলাত উপস্থিত হৈ নগৰ আৰু গ্ৰামোন্নয়ন বিভাগৰ দ্বাৰা ৰূপায়ণ হৈ থকা বিভিন্ন উন্নয়নমূলক আঁচনি পৰিদৰ্শন কৰে। দলটোৱে প্ৰথমে দুধনৈ আৱৰ্ত্ত ভৱনত সংশ্লিষ্ট বিভাগৰ বিষয়াসকলৰ সৈতে ৰূপায়ণ হৈ থকা আঁচনিসমূহৰ বিষয়ে আলোচনা কৰাৰ লগতে এই সন্দৰ্ভত এখন পৰ্যালোচনা বৈঠকত মিলিত হয়। বিধায়কৰ দলটোৱে উন্নয়নমূলক আঁচনিৰ ক্ষেত্ৰত পোৱা ত্ৰুটিসমূহ দূৰ কৰিবলৈ বিষয়াসকলক পৰামৰ্শ আগবঢ়ায়।

০০০

ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ তিনিখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল পুণেৰ মহাৰাষ্ট্ৰ ক্ৰিকেট এছোচিয়েছন ষ্টেডিয়ামত কাইলৈ অনুষ্ঠিত হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি পুা চাৰে ৯ বজাত আৰম্ভ হ'ব। ৰোহিত শৰ্মা নেতৃত্বাধীন ভাৰতীয় দলে শৃংখলাত প্ৰত্যাৱৰ্তন কৰাৰ লক্ষ্যৰে খেলখনত অৱতীৰ্ণ হ'ব। ভাৰতে বাংগালুৰুত অনুষ্ঠিত প্ৰথমখন খেলত পৰাজিত হৈছিল। ভাৰত সম্প্ৰতি শৃংখলাৰ ১-০ৰ ফলাফলত পাছ পৰি আছে।

শৃংখলাৰ বাকী দুখন খেলৰ বাবে অলৰাউণ্ডাৰ ৱাশ্বিংটন সুন্দৰক দলত অন্তৰ্ভুক্ত কৰা হৈছে। ইয়াৰ বিপৰীতে নিউজিলেণ্ডৰ প্ৰাক্তন অধিনায়ক কেন উইলিয়ামছনে আঘাতৰ বাবে এইখন খেলত অংশগ্ৰহণ কৰিব নোৱাৰিব।

০০০

সমাপ্ত